# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-07-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

ৰাজ্যৰ সাম্প্ৰতিক বানত ২৯ খন জিলাৰ ১৬ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। যোৱা ২৪ ঘণ্টাত ৮ জন লোকৰ বানত মৃত্যু হোৱাৰ ফলত শেহতীয়া বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৪৬ লৈ বৃদ্ধি হৈছে। আনহাতে, তিনিজন লোক সন্ধানহীন হৈ আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰ অনুসৰি দুহেজাৰ ৮০০ খন গাঁও বানৰ কবলত পৰাৰ লগতে প্ৰায় ৪০ হাজাৰ হেক্টৰ কৃষি ভূমি বাঢ়নী পানীয়ে বুৰাই পেলাইছে। এই বানত নগাঁও, কৰিমগঞ্জ আৰু দৰং জিলাত সৰ্বাধিক লোক ক্ষতিগ্ৰস্ত হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে জিলা আয়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে মত বিনিময় কৰি উদ্ধাৰ আৰু সাহায্য অভিযান ক্ষিপ্ৰ কৰি তুলিবলৈ নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীয়ে আজি মাজুলী আৰু লখিমপুৰ জিলাৰ ঢকুৱাখনাত উপস্থিত হৈ বান পৰিস্থিতিৰ বুজ লোৱাৰ লগতে প্ৰয়োজনীয় সকলো সাহায্য প্ৰদান কৰা হ'ব বুলি আশ্বাস দিয়ে। তেওঁ গুৱাহাটী মহানগৰীৰ পাণ্ডুত বানৰ কবলত পৰা অঞ্চলসমূহত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে কয় যে ব্ৰহ্মপুত্ৰৰ উভতনি সোঁতে পাণ্ডুৰ বিভিন্ন অঞ্চল প্লাৱিত কৰিছে। জনসাধাৰণে এই সমস্যাৰ সমাধানৰ বাবে এখন শ্লুইচ গে'ট বিচৰা বুলি উল্লেখ কৰি এই কথা বিবেচনা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশ্বাস দিয়ে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে কৃষি আৰু পশুপালন মন্ত্ৰী অতুল বৰাই আজি নগাঁৱত উপস্থিত হৈ জিলাখনৰ বানৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত আয়ুক্ত কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত জিলাখনত ক্ষতিগ্ৰস্ত লোকসকলক সাহায্য আৰু উদ্ধাৰ অভিযান সন্দৰ্ভত আলোচনা কৰাৰ লগতে বিভিন্ন বিভাগক বিহিত ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়া হয়।

অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই আজি গোলাঘাট জিলাৰ বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ ভ্ৰমণ কৰি পৰিস্থিতিৰ বুজ লয়। তেওঁ বোকাখাত, দেৰগাঁও, মহুৰামুখ আৰু বংকুৱালৰ বান ক্ষতিগ্ৰস্ত অঞ্চল ভ্ৰমণ কৰাৰ উপৰি ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে মত বিনিময় কৰে। ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াই আজি মৰিগাঁও জিলাৰ বান ক্ষতিগ্ৰস্ত অঞ্চল ভ্ৰমণ কৰি পৰিস্থিতিৰ বুজ লোৱাৰ লগতে জনসাধাৰণৰ সৈতে মত বিনিময় কৰে।

আনহাতে, মন্ত্ৰী অতুল বৰাই মৰিগাঁৱত বান পৰিস্থিতি পৰিদৰ্শন কৰে। তেওঁ পুৱাৰ ভাগত মৰিগাঁও জিলাৰ আয়ুক্ত তথা জিলা প্ৰশাসনৰ বিষয়াসকলৰ সৈতে বান পৰিস্থিতিৰ পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে অহা ১৫ আগষ্টৰ পূৰ্বে জনসাধাৰণক বানত হোৱা ক্ষয়-ক্ষতিৰ বাবে সাহায্য প্ৰদান সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি এই সময়ছোৱাত সংশ্লিষ্ট সকলো বিভাগক সজাগ আৰু সতৰ্ক হৈ থাকিবলৈ তেওঁ নিৰ্দেশ দিছে। ইফালে সাংসদ কামাখ্যা প্ৰসাদ তাচাই আজি গোলাঘাট জিলাৰ বানৰ কবলত পৰা অঞ্চল ভ্ৰমণ কৰি পৰিস্থিতিৰ বুজ লয়।

ইফালে, ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে ধুবুৰী ৰাজহ চক্ৰৰ শতাধিক গাঁও প্লাৱিত কৰিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মুঠ ১৭৩ টা বন শিবিৰ বানত জলমগ্ন হৈছে। উদ্যান কৰ্তৃপক্ষ আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলে বানত উটি যোৱা বন্য জন্তুক সুৰক্ষা দিয়াৰ ক্ষেত্ৰত কাজিৰঙাৰ কাষৰীয়া ৰাজ্যৰ সহযোগিতা কামনা কৰিছে। বানত উটি যোৱা জন্তু দেখা পোৱাৰ লগে লগে বন বিভাগ বা আৰক্ষীক খবৰ দিবলৈ আহ্বান জনোৱা হৈছে। তদুপৰি বানত দিশহাৰা হৈ জনাঞ্চলত প্ৰৱেশ কৰা পহু বা অন্য জন্তু নিধন কৰা কাৰ্যৰ পৰা বিৰত থাকিবলৈ

আহ্বান জনোৱা হৈছে। ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ ৭০ শতাংশ অঞ্চল বানে বুৰাই পেলাইছে। উদ্যানখনৰ দক্ষিণ দিশেৰে ব্ৰহ্মপুত্ৰ, ধনশ্ৰী আৰু পাঁচনৈৰ বাঢ়নী পানী সোমাই অহাৰ ফলত বিস্তীৰ্ণ অঞ্চল প্লাৱিত হৈছে। বানৰ কবলত পৰা বন্যজন্তুসমূহে ওখ স্থানত আশ্ৰয় লৈছে। জানিব পৰা মতে কালিৰেপৰা ধনশ্ৰী নৈৰ পানী বাঢ়ি অহাত উদ্যানখনৰ পূব প্ৰান্তৰ কেইবাটাও বন শিবিৰ সম্পূৰ্ণৰূপে বুৰ যায়।

ইপিনে, লখিমপুৰ জিলাৰ আয়ুক্ত তথা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জাৰি কৰা নিৰ্দেশনা অনুসৰি টেকেলিফুটাৰ পৰা লোটাচোৰলৈ নিৰ্মাণ কৰা মথাউৰিত গধুৰ যান-বাহনৰ চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই নিষেধাজ্ঞা পুনৰ জাননী নিদিয়া পৰ্যন্ত বাহাল থাকিব।

বৰাক উপত্যকাৰ বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। হাইলাকান্দি জিলাৰ তিনিখন প্ৰধান নৈ - বৰাক, ধলেশ্বৰী আৰু কাটাখালৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত মোহনপুৰ অঞ্চলত মথাউৰি ছিগি কেইবাখনো গাঁও প্লাৱিত হৈছে। তদুপৰি মোহনপুৰ-শিলচৰ সংযোগী পথটো জলমগ্ন হৈ পৰিছে। সামগ্ৰিকভাৱে জিলাখনৰ পাঁচটা ৰাজহ চক্ৰৰ কমেও ১২৫ খন গাঁও এইবাৰৰ বানত ক্ষতিগ্ৰস্ত হৈছে। যোৰহাট জিলাৰ টীয়কৰ জাঁজীমুখত হাতীশাল সংযোগী পকীপথ বানে খহাই নিয়াৰ লগতে প্ৰলয়ংকৰী বানে অঞ্চলটোত বিস্তৰ ক্ষতি কৰিছে। ডিব্ৰুগড় জিলাত বুঢ়ী দিহিং নৈৰ বাঢ়নি পানীয়ে জিলাখনৰ পশ্চিম ৰাজহ চক্ৰৰ বিভিন্ন অঞ্চল বুৰাই পেলাইছে। মথাউৰিৰ ওপৰেৰে পানী বাগৰাৰ ফলত জনসাধাৰণে নৈখনৰ মথাউৰি ছিগাৰ আশংকা প্ৰকাশ কৰিছে। ওদালগুৰি জিলাৰ গৰুৱাঝাৰত বান আৰু খহনীয়াই জনসাধাৰণৰ জীৱন বিপৰ্যস্ত কৰি তুলিছে। ভূটানৰ পৰা বৈ অহা নৈনৈয়ে ভেৰগাঁৱৰ বিভিন্ন অঞ্চল প্লাৱিত কৰিছে।

সাম্প্ৰতিক বান পৰিস্থিতিৰ ফলত ৰাজ্যৰ বিভিন্ন প্ৰান্তত জনসাধাৰণৰ জীৱন আৰু সা-সম্পত্তিৰ ক্ষতি হোৱাৰ পৰিপ্ৰেক্ষিতত যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ে আজি এখন পৰ্যালোচনা সভা অনুষ্ঠিত কৰে। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত ৰাজ্যখনৰ বানৰ ফলত কৃষিখণ্ডৰ ক্ষয়-ক্ষতি সন্দৰ্ভত আলোচনা কৰা হয়। এই সভাত বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৯ খন মহাবিদ্যালয়, আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰ আৰু কৃষি বিজ্ঞান কেন্দ্ৰৰ প্ৰতিনিধিৰ উপস্থিতিত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০০০০

উত্তৰ লখিমপুৰ প্ৰেছ ক্লাবৰ দ্বিবাৰ্ষিক অধিবেশন অহা ৬ আৰু ৭ জুলাইত আয়োজন কৰা হৈছে। ১৯৮৯ চনত স্থাপন হোৱা এই প্ৰেছ ক্লাবৰ দুদিনীয়াকৈ আয়োজিত অধিবেশনত পতাকা উত্তোলন, প্ৰতিনিধি সভা, জ্যেষ্ঠ সাংবাদিকৰ সৈতে মত-বিনিময়, সমাজৰ বিশিষ্ট ব্যক্তিলৈ সম্বৰ্দ্ধনা জ্ঞাপন আদি কাৰ্যসূচী হাতত লোৱা হৈছে। অধিবেশনৰ প্ৰথম দিনা মুখ্যমন্ত্ৰীৰ আণ্টাইড পুঁজিৰে নিৰ্মাণ কৰা ক্লাবৰ প্ৰেক্ষাগৃহটো উদ্বোধন কৰা হ'ব।

০০০০০০০

**সমাপ্ত**